# আমেৰিকা যুক্তৰাষ্ট্ৰ লৈ পঢ়িবলৈ যোৱা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে পৰামৰ্শ

২৩ ডিচেম্বৰ ২০১৫

সম্প্ৰতিকালত বৈধভাৱে ছাত্ৰৰ ভিছা থকা স্বত্বেও আমেৰিকাৰ চান জোচেফ চিলিকন ভেলি বিশ্ববিদ্যালয় আৰু ফ্ৰিমন্টৰ নৰ্থ ওয়েষ্টাৰ্ন পলিটেকনিক বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ যোৱা ছাত্ৰ-ছাত্ৰী সকলক আমেৰিকা প্ৰশাসন কতৃপক্ষৰ তৰফৰ আমেৰিকাত প্ৰবেশত বাধা দিয়াৰ সম্পৰ্কীয় কেতবোৰ ঘটনা ঘটিছে ।

ভাৰত চৰকাৰৰ তৰফৰৰ পৰা বিষয়টো আমেৰিকা চৰকাৰৰ ওচৰত জনোৱা হৈছে ।আমি আমেৰিকা কৰ্তৃপক্ষক ওচৰত জনাইছো,বৈধ ছাত্ৰ ভিছা থকা স্বত্বেও কিয় ব্যাপক ভাৱে ভাৰতীয় ছাত্ৰ-ছাত্ৰী সকলক আমেৰিকাত প্ৰবেশত বাধা প্ৰদান কৰাৰ কাৰন দৰ্শোৱাবলৈ দাবী জনাইছে ।আমেৰিকাৰ তৰফৰ পৰা এই সম্পৰ্কে প্ৰতিক্ৰিয়া জনাৰ বাবে আমি অপেক্ষা কৰিছো ।

যেতিয়ালৈকে এই সমস্যাৰ কোনো সন্তোষজনক সমাধান পোৱা নাজায় তেতিয়ালৈকে এই দুই আমেৰিকান  প্ৰতিষ্ঠান দুটালৈ যাব খোজা ভাৰতীয় ছাত্ৰ-ছাত্ৰী সকলক যুক্তৰাষ্ট্ৰ ভ্ৰমন প্ৰত্যাহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে ।

সমকো ভাৰতীয় মুলৰ ছাত্ৰ সমাজলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে যে,আমেৰিকাৰ কোনো শিক্ষা প্ৰতিষ্ঠানত পঢ়িবলৈ যোৱাৰ পূৰ্বে ছাত্ৰ-ছাত্ৰী সকলে চোৱা -চিতা কৰি লব লাগে যে সেই প্ৰতিষ্ঠান সমুহ যথাযথ অনুমোদনপ্ৰাপ্ত আৰু নিৰ্ভৰযোগ্য হয় নে নহয় । ভ্ৰমন অথবা যাত্ৰাৰ সম্প্ৰৰ্কীয় তথ্যপাতিৰ উপৰিও আমেৰিকাৰ প্ৰশাসনৰ অধিকাৰি সকলৰ সৈতে সাক্ষাতকাৰৰ বাবে (আমেৰিকাত প্ৰবেশ কৰাৰ সময়ত)নিজৰ সৈতে শিক্ষা

পৰিকল্পনা,থকাৰ স্থান,আৰ্থিক সাহাৰ্য্য,স্বাস্থ্য সম্পৰ্কীয় তথ্যপাতি আৰু আয়োজন প্ৰভৃতি বিষয়ে প্ৰয়োজনীয় সকলো নথিপত্ৰ অৱশ্যেই লগত ৰখা উচিত ছাত্ৰসকলে ।

নতুন দিল্লী

২৩ ডিচেম্বৰ ২০১৫